**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-12-2024 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ এঘাৰ বজাত মন কী বাত অনুষ্ঠানত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব আকাশবাণীযোগে প্ৰচাৰিত মন কী বাতৰ ১১৭ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ চেনেলৰ উপৰি airnews ৱেৰছাইট আৰু newsonair মোবাইল এপত শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠানৰ লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব। এই অনুষ্ঠান ৰাজ্যখনৰ আটাইবোৰ আকাশবাণী কেন্দ্ৰই ৰীলে কৰিব। নিশা ৮ বজাত এই অনুষ্ঠানৰ পুনৰ প্ৰচাৰ শ্ৰোতাসকলে শুনিবলৈ পাব।

০০০০০০

নামেৰী ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই পৰ্যটকৰ বাবে উদ্যানৰ ভিতৰত নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ট্ৰেকিং পথটো জানুৱাৰীত পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হ'ব। বিদেশী পৰ্যটকৰ আগমনৰ ক্ষেত্ৰত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পাছতে ৰাজ্যৰ পৰ্যটন মানচিত্ৰত নামেৰী ৰাষ্ট্ৰীয় উদ্যানে দ্বিতীয় স্থান দখল কৰিছে। ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰতো ২০২২-২৩ চনৰ ১৪ লাখ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত ২৭ লাখ টকাৰ বিপৰীতে চলিত বৰ্ষত ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ৰাজহ সংগ্ৰহৰ লক্ষ্য ৪২ লাখ টকা স্থিৰ কৰিছে। অসম-অৰুণাচল প্ৰদেশ সীমান্তত অৱস্থিত জৈৱ বৈচিত্ৰ্যৰে ভৰপূৰ ৰাষ্ট্ৰীয় উদ্যানখনত ৰাজ্যিক পক্ষী দেওহাঁহ, ধণেশ, বনৰীয়া হাতী, ৰাষ্ট্ৰীয় পশু ঢেকীয়াপতীয় বাঘ আদিৰ উপৰি ৰাষ্ট্ৰীয় উদ্যানখনত বিভিন্ন প্ৰজাতিৰ অৰ্কিড দেখিবলৈ পোৱা যায়।

০০০০০০

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক কুলধৰ শইকীয়াই অসমীয়া লিপিক মান্যতা দি ইউনিকোডত স্বতন্ত্ৰ স্থান প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। তেওঁ লগতে ধ্ৰুপদী ভাষাৰ স্বীকৃতিৰ লাভৰ পাছত পাবলগীয়া সকলো সুবিধা আদায় কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ অনুৰোধ জনাইছে। পত্ৰখনত লগতে ৰাজ্যিক ভাষা আইনৰ ব্যৱহাৰ নিশ্চিত কৰাৰ বাবেও আহ্বান জনোৱা হৈছে।

০০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত চলি থকা অসম গ্ৰন্থমেলাত কালি গ্ৰন্থ প্ৰকাশৰ দায়বদ্ধতা, প্ৰচাৰ আৰু কৌশল অৱলম্বন বিষয়ক আলোচনা চক্ৰ অনুষ্ঠিত হয়। এই আলোচনাত ভাৰতীয় প্ৰকাশক

আৰু গ্ৰন্থ বিক্ৰেতা সংস্থাৰ সভাপতি সুৰিন্দৰ কুমাৰ ঘাইয়ে অংশগ্ৰহণ কৰে। ১২ দিনীয়াকৈ অনুষ্ঠিত অসম গ্ৰন্থমেলাত কালি দ্বিতীয় দিনাও অগণন গ্ৰন্থপ্ৰেমীৰ সমাগম হয়। সন্ধিয়া পশ্চিমবংগৰ বিশিষ্ট লেখক, ইতিহাসবিদ তথা অধ্যাপক হিন্দোল সেনগুপ্তই অংশগ্ৰহণ কৰা অন্তৰংগ আলাপ পৰিচালনা কৰে নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ডঃ সমুদ্ৰ গুপ্ত কাশ্যপে। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হয়। গ্ৰন্থমেলাথলীত কালি কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়।

000000

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো বীজ বেংক তিতাবৰৰ অসম ধান গৱেষণা প্ৰতিষ্ঠানত অহা বছৰৰ ফেব্ৰুৱাৰীত মুকলি কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ সাহায্যত ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত নিৰ্মাণ চলি থকা এইটো হ'ব দেশৰ তৃতীয়টো বীজ বেংক। অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই যোৱা বছৰৰ ১ নৱেম্বৰত বীজ বেংকটোৰ আধাৰশিলা স্থাপন কৰিছিল। প্ৰায় আঢ়ৈ কোটি টকা ব্যয় সাপেক্ষ বীজ বেংকটোৰ ৯৫ শতাংশ কাম সম্পূৰ্ণ হৈ উঠিছে। এই প্ৰকল্প সম্পূৰ্ণ হৈ উঠিলে তিতাবৰৰ অসম ধান গৱেষণা প্ৰতিষ্ঠানত সংৰক্ষিত হৈ অহা ৭ হাজাৰৰো অধিক থলুৱা ধানৰ সঁচৰ লগতে উৎপাদিত বীজ ৫ বছৰ পৰ্যন্ত নষ্ট নোহোৱাকৈ সংৰক্ষণ কৰিব পৰা হ'ব।

000000

অৰুণাচল প্ৰদেশৰ দক্ষিণত অৱস্থিত চাংলাং জিলাত কালি বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰা হয়। সেনা বাহিনীৰ স্পিয়াৰ ক'ৰ, আছাম ৰাইফলছ আৰু অৰুণাচল আৰক্ষীৰ যৌথ অভিযানত জিলাখনৰ মিয়াও-বিজয়নগৰ পথৰ কাষৰ এম এছ-২৭ৰ সমীপৰ বনাঞ্চলত মাটিত পুতিথোৱা এই অস্ত্ৰ-শস্ত্ৰৰ ভঁৰালৰ সম্ভেদ লাভ কৰি দলটোৱে ব্যাপক অনুসন্ধান চলায়। এই অভিযানত বিভিন্ন স্থানৰ পৰা মুঠ ১০ এম কিউ ৮১, চীনত নিৰ্মিত এছাল্ট ৰাইফল উদ্ধাৰ কৰা হয়।

000000

অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ অসম প্ৰদেশ শাখাৰ ৰাজ্যিক অধিবেশন লখিমপুৰ চহৰৰ মণিকাঞ্চন সমন্বয় ক্ষেত্ৰত পৰহিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। কালিৰ অনুষ্ঠানত অংশ লৈ শিক্ষামন্ত্ৰী ড০ ৰণোজ পেগুৱে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ বিভিন্ন বিষয় আলোকপাত কৰে। দুপৰীয়াৰ ভাগত অসমৰ ভিন ভিন ৩ টা ক্ষেত্ৰত সম্ভাৱনা বহন কৰা ৩ গৰাকী উদীয়মান যুৱকক লৈ এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। কালি উত্তৰ লখিমপুৰ চহৰৰ মাজেৰে এটা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাত ৰাজ্যৰ প্ৰতিখন জিলাৰ পৰা অহা প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

000000

**সমাপ্ত**